# Departure of Indian Air Force special flight carrying medical assistance to Wuhan, China

February 26, 2020

---

# চিকিত্সা সাহাৰ্য কঢ়িয়াই নিয়া ভাৰতীয় বায়ু সেনাৰ বিশেষ বিমানৰ য়ুহান, চীনলৈ প্ৰস্থান

ফেব্ৰুৱাৰী 26, 2020

মাস্ক, গ্লোভছ আৰু অন্যান্য আপাতকালীন চিকিত্সা সৰঞ্জামসহ প্ৰায় 15 টন চিকিত্সা সাহাৰ্য কঢ়িয়াই নিয়া ভাৰতীয় বায়ু সেনাৰ এখন বিশেষ বিমানেৰে 26 ফেব্ৰুৱাৰী 2020 তাৰিখে য়ুহান, চীনলৈ গমন কৰে।

এই সাহাৰ্য চীনত হোৱা ক'ৰণা ভাইৰাছ (ক'ভিড-19)ৰ প্ৰাদুৰ্ভাৱৰ প্ৰতি লক্ষ্য ৰাখি আৰু মাস্ক আৰু চিকিৎসা সঁজুলি বিচাৰি চীনে কৰা অনুৰোধৰ ভিত্তিত প্ৰদান কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে চীনৰ ৰাষ্ট্ৰপতি জি জিনপিংলৈ 8 ফেব্ৰুৱাৰী 2020 তাৰিখে লিখা পত্ৰত ভাৰতবৰ্ষৰ লোকৰ আৰু ভাৰত চৰকাৰৰ চীনৰ জনসাধাৰণ আৰু চীনা চৰকাৰৰ প্ৰতি থকা সংহতি তথা সদ্ভাৱৰ কথা উল্লেখ কৰিছিল আৰু এই সংকটৰ সময়ত চীনলৈ উপহাৰৰূপে সহায়-সাহাৰ্য যোগান দিবলৈ আগ্ৰহ প্ৰকাশ কৰে। এই চিকিৎসা সঁজুলিসমূহে চীনদেশক এই ৰোগৰ সংক্ৰমণ নিয়ন্ত্ৰণৰ বাবে কৰা প্ৰচেষ্টাক উদগনি জগাব যি ৰোগক বিশ্ব স্বাস্থ্য সংস্থাই ইতিমধ্যে জনস্বাস্থ্য জৰুৰীকালীন পৰিস্থিতি হিচাপে ঘোষণা কৰিছে।

আজি যি সাহাৰ্য প্ৰেৰণ কৰা হৈছে সেইয়া চীনৰ জনগণৰ প্ৰতি ভাৰতৰ জনগণৰ বন্ধুত্ব আৰু একতাৰ চিন যিহেতু দুই দেশে এই বছৰ কূটনৈতিক সম্পৰ্ক স্থাপনৰ 70 তম বাৰ্ষিকী উদযাপন কৰিব।

ভাৰতীয় বায়ু সেনাৰ এই বিমানখনে ভাৰতীয় নাগৰিক আৰু লগতে আমাৰ চুবুৰীয়া কিছুমান দেশৰ বিদেশী নাগৰিকসকলক উভতাই আনিব যিয়ে প্ৰধানমন্ত্ৰী মোডীৰ চুবুৰীয়া প্ৰথম নীতি অনুসৰি ভাৰতক যাত্ৰাত সহায় বিচাৰিছিল।

**নতুন দিল্লী**
**ফেব্ৰুৱাৰী 26, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.